জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৭৩৪/২০২০

# প্ৰাক্তন মুখ্যমন্ত্ৰী তৰুণ গগৈৰ স্বাস্থ্যৰ বুজ ল'লে মুখ্যমন্ত্ৰী সোণোৱালে

## প্ৰাক্তন মুখ্যমন্ত্ৰী তৰুণ গগৈ হ'ল মোৰ বাবে পিতৃতুল্য, এগৰাকী পুত্ৰ হিচাপে মই আজি তেখেতৰ স্বাস্থ্যৰ বুজ ল'বলৈ আহিছো ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ৫ নৱেম্বৰ ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত সম্প্ৰতি চিকিৎসাধীন হৈ থকা প্ৰাক্তন মুখ্যমন্ত্ৰী তৰুণ গগৈক সাক্ষাৎ কৰি তেখেতৰ স্বাস্থ্যৰ বুজ লয়। মুখ্যমন্ত্ৰীয়ে প্ৰাক্তন মুখ্যমন্ত্ৰীগৰাকীৰ সৈতে মত-বিনিময় কৰি তেখেতৰ আশু আৰোগ্য কামনা কৰে।

সাক্ষাতৰ পিছত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাল চৌহদত উপস্থিত থকা সংবাদিকৰ সৈতে হোৱা কথা-বতৰাত মুখ্যমন্ত্ৰী কয় যে প্ৰাক্তন মুখ্যমন্ত্ৰী তৰুণ গগৈ হ'ল তেওঁৰ বাবে পিতৃতুল্য। এগৰাকী পুত্ৰ হিচাপে তেওঁ আজি প্ৰাক্তন মুখ্যমন্ত্ৰীগৰাকীৰ স্বাস্থ্যৰ বুজ ল'বলৈ আহিছে। হাস্পতালখনৰ জ্যেষ্ঠ চিকিৎসকসকলে নিৰৱচ্ছিন্নভাৱে তেখেতলৈ চিকিৎসা সেৱা আগবঢ়াই আছে আৰু তেখেতৰ স্বাস্থ্য এতিয়া যথেষ্ট সুস্থিৰ হৈছে। তেখেত আমাৰ জ্যেষ্ঠজন। জনসাধাৰণৰ স্বাৰ্থ পূৰণৰ বাবে তেখেতৰ সৈতে আমাৰ কৰিবলগীয়া কাম বহুতো আছে। মুখ্যমন্ত্ৰীয়ে লগতে জনায় যে প্ৰাক্তন মুখ্যমন্ত্ৰী গৰাকীয়ে গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত লাভ কৰি থকা চিকিৎসা সেৱাত সন্তুষ্টি প্ৰকাশ কৰিছে।

আজিৰ এই সাক্ষাতৰ সময়ত মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামীয়েও মুখ্যমন্ত্ৰীৰ সৈতে উপস্থিত থাকে।

**বীঃগঃ**
**৫/১১/২০২০**